Philosophy (২০১৮)ত ক্ৰমে Kautilya's Arthashastra and its relation with Philosophical Practice আৰু Philosophy of Performing Art of Assam and Cultural Unity বিষয়ক বক্তৃতাৰে সমগ্ৰ বিশ্বৰে প্ৰশংসাৰ পাত্ৰ হয়।

ড° পাটগিৰীৰ বিশ্বৰ বিভিন্ন গৱেষণা সংস্থাৰ দ্বাৰা কেইবাখনো গৱেষণাপত্ৰ প্ৰকাশিত হৈছে। ড° পাটগিৰীয়ে ইতিমধ্যে Philosophical Background of Sankaradeva's Thought আৰু Philosophical Tradition of Assam নামৰ দুটি প্ৰকল্পৰ কাম সমাপ্ত কৰিছে। ড° পাটগিৰীয়ে বৰ্তমান বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত Encyclopaedia of Philosophy of Performing Arts with Special Reference to North-East India নামৰ আন এটি গুৰুত্বপূৰ্ণ গৱেষণা প্ৰকল্পৰ কাম সমাপ্ত কৰিছে আৰু উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলাৰ বিশ্বকোষ গ্ৰন্থখনি প্ৰকাশৰ পথত। আধুনিক অসমীয়া নাটক আৰু থিয়েটাৰৰ ইতিহাস প্ৰণয়নৰ এটি প্ৰকল্প ড° জগদীশ পাটগিৰীয়ে কৰি আছে। তেখেতৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল— *The Philosophical Tradition of Assam, Thinking and Reasoning, জীৱন আৰু জিজ্ঞাসা, নাট্যকলা ঃ দেশে দেশে, নাট্য আৰু চেতনা, বসন্ত প্লাৱন, নতুন পুৰুষ, দ্ৰৌপদী, অজগৰ, শ্ৰীকৃষ্ণ, অৰ্জুন আৰু গাণ্ডীৱ, মহাবীৰ লাচিত, চিহ্নযাত্ৰা, শিলালিপি, নৰককুণ্ড* আদি *ভালেমান নাটক, অগ্নি উত্তাপ, লুইত কোঁৱৰ, এখন আকাশ অলেখ তৰা, শতাব্দীৰ স্বপ্ন* আদি *নৃত্য-নাটিকা, আধুনিক অসমীয়া নাট্যসম্ভাৰ* (সম্পাঃ), *নাটকৰ ব্যৱহাৰিক দিশ, নিৰ্বাচিত অসমীয়া একাংকিকা নাট্য সম্ভাৰ, পূৰ্বাঞ্চলৰ ভাষা-সাহিত্য আৰু সংস্কৃতি* ইত্যাদি।

ভাৰতীয় নাট্য আৰু সাহিত্যলৈ বিশেষ বৰঙণি আগবঢ়োৱাৰ বাবে নেচনেল পাৰফৰমিং আৰ্ট এছোচিয়েচন, ইণ্ডিয়াৰ দ্বাৰা ২০১৬ চনত সমগ্ৰ ভাৰতৰ ভিতৰত প্ৰথম 'মহাকবি কালিদাস সন্মান' লাভ কৰা ড° পাটগিৰী ছাত্ৰাৱস্থাৰ পৰা বিভিন্ন সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠানৰ সৈতে জড়িত। তেওঁ ২০০৩ৰ পৰা ২০০৭ খ্ৰীষ্টাব্দলৈ অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰো প্ৰধান সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰে। অসমৰ আগশাৰীৰ শিক্ষানুষ্ঠান কটন বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ *Research Journal 'Manavayatan'* (মানৱায়তন— *The Humanosphere)*ৰ সম্পাদক।

শ্ৰীমন্ত শংকৰদেৱৰ সুদীৰ্ঘ বাৰবছৰীয়া তীৰ্থযাত্ৰাৰ অভিজ্ঞতা, সমাজ সংশোধনৰ প্ৰৱণতা, উচ্চাঙ্গ জীৱন চেতনা আৰু অসাধাৰণ-শিল্পী প্ৰতিভাৰ অপূৰ্ব সমন্বয়ৰ পৰিণতিয়েই 'চিহ্নযাত্ৰা'। নৃত্য, গীত, বাদ্য, চিত্ৰ, স্থাপত্য আৰু অভিনয় আদি অনেক কলাৰ সমাহাৰত গঢ় লৈ উঠা 'চিহ্নযাত্ৰা' কেৱল নাট্যাভিনয় অনুষ্ঠানেই নহয়, বৰং ই ব্যাপকভাৱে কলাৰ নৱৰূপ আৰু গভীৰভাৱে সংস্কৃতিৰ নৱ মূল্যায়নহে। দৰাচলতে গুৰুজনাৰ 'চিহ্নযাত্ৰা' নৱ সাংস্কৃতিক জীৱনবোধৰ নতুন আৰম্ভণি। 'চিহ্নযাত্ৰা' অকল অসমীয়া নাটকৰেই আৰম্ভণি বিন্দু নহয়, সমগ্ৰ ভাৰতবৰ্ষৰেই প্ৰান্তীয় ভাষাত ৰচিত নাটকসমূহৰ ভিতৰত প্ৰথম। 'চিহ্নযাত্ৰা' অসমীয়া জাতীয় জাগৰণ আৰু বিকাশৰো গুৰুত্বপূৰ্ণ নতুন প্ৰতিধ্বনি।

ভক্তৰ মনোবাঞ্ছা পূৰণৰ বাবেই গুৰুজনাই তুলাপাতত সাত-বৈকুণ্ঠৰ পট আঁকি 'চিহ্নযাত্ৰা' প্ৰদৰ্শন কৰিছিল। বিশাল শংকৰী কলা আৰু দৰ্শনৰ মাজৰ পৰা 'চিহ্নযাত্ৰা' কিন্তু কালৰ গৰ্ভত হেৰাই গ'ল। এই হেৰোৱা মহান ঐতিহ্যৰ আঁত বিচাৰি 'চিহ্নযাত্ৰা' আধুনিক মঞ্চায়নৰ উপযোগী কৰি আধুনিক অসমীয়া নাট্য সাহিত্যৰ ব্যতিক্ৰমী শীৰ্ষস্থানীয় নাট্যকাৰ, পৰিচালক আৰু গৱেষক ড° জগদীশ পাটগিৰীয়ে আধুনিক 'চিহ্নযাত্ৰা' নাটকখন সৃষ্টি কৰিছে। ড° পাটগিৰীয়ে তেখেতৰ এই গৱেষণা কৰ্মত আধুনিক 'চিহ্নযাত্ৰা'ৰ জৰিয়তে বৈষ্ণৱ চিত্ৰ শৈলীৰ পুনৰ নিৰ্মাণৰ বাবে এক প্ৰচেষ্টা হাতত লৈছে। অসমীয়া নাটকৰ আলোক সন্ধানী এই শিল্পকৰ্ম জ্যোতিপ্ৰসাদৰ উত্তৰসুৰীৰ উত্তৰ আধুনিকতা যুগৰ নাট্যচিন্তা চেতনাৰ উদ্গীৰণৰ এক নান্দনিক দলিল ৰূপে স্বীকৃত হ'ব।





ৰেখা প্ৰকাশন

প্ৰচ্ছদ চিত্ৰৰ শিল্পী ঃ মৌচুমী
প্ৰচ্ছদ সজ্জা ঃ মনজিৎ ৰাজখোৱা


শ্ৰীমন্ত শংকৰদেৱৰ
চিহ্নযাত্ৰা
আধুনিক নাট্যৰূপ
ড° জগদীশ পাটগিৰী


ৰেখা প্ৰকাশন


# শ্ৰীমন্ত শংকৰদেৱৰ
# চিহ্নযাত্ৰা



## আধুনিক নাট্যৰূপ
## ড° জগদীশ পাটগিৰী



আশীৰ দশকৰ পৰা নিৰৱচ্ছিন্নভাৱে নিত্যনতুন পৰীক্ষা-নিৰীক্ষাৰে বিশেষভাৱে মৌলিক বৰঙণি আগবঢ়াই আধুনিক অসমীয়া নাট্য সাহিত্যলৈ এক নতুন গতিৰ সঞ্চাৰ কৰা ড° জগদীশ পাটগিৰীয়ে ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় স্তৰত এগৰাকী কৃতী গৱেষক হিচাপে স্বীকৃতি লাভ কৰিছে। নেদাৰলেণ্ডছৰ লিউজডেনত Dutch Association for Philosophical Practiceৰ দ্বাৰা আয়োজিত দশম আন্তৰ্জাতিক সন্মিলনত Philosophical practice of Assam through the medium of performing Arts গৱেষণা পত্ৰৰে তেখেতে আন্তৰ্জাতিক সন্মান লাভ কৰে। কেইবাগৰাকী গৱেষকৰ তত্ত্বাৱধানত ব্যস্ত ড° পাটগিৰীয়ে Kangwon National University, Republic of Korea আৰু Fu-Jen Catholic University, Republic of Chinaৰ দ্বাৰা আয়োজিত 11th International Conference on Philosophical Practice and the 4th International Conference on Humanities Therapyলৈ Master Class Speaker হিচাপে আমন্ত্ৰিত হৈ Therapeutic Practice and the Lyrics of Dr. Bhupen Hazarika বিষয়ক গৱেষণাপত্ৰৰে আন এক বিৰল আন্তৰ্জাতিক স্বীকৃতি লাভ কৰে। গ্ৰীচৰ National and Kepodistarian School of Philosophy, University of Athensত অনুষ্ঠিত 23rd World Congress of Philosophyত ড° পাটগিৰী Human values and the lyrics of Dr. Bhupen Hazarika বিষয়ক গৱেষণাপত্ৰৰে বিশ্বৰ পণ্ডিত সমাজৰ দ্বাৰা প্ৰশংসিত হয়।

শেহতীয়াভাৱে ড° পাটগিৰীয়ে Mexicoত অনুষ্ঠিত National Autonomous University of Mexicoৰ দ্বাৰা আয়োজিত 15th International Conference on Philosophical Practice and 6th International CECAPFI Congressত Beijingৰ Peking Universityৰ দ্বাৰা আয়োজিত 24th World Congress of